# কৃত্ৰিম বুদ্ধিমত্তা মানৱ জাতিৰ বাবে আশীৰ্বাদ নে অভিশাপ?

- পঙ্কজ বৰুৱা, বুঢ়ালিকচন, গোলাঘাট, অসম

কল্পনা কৰকচোন যদি এটা মেচিনে বা এটা ৰবটে আপোনাৰ সকলো কাম যদি নিপুনতাৰে কৰিব পাৰে, মানুহৰ বাবে যিখিনি কৰিব কষ্টকৰ মেচিনে যদি সেইখিনি সহজে কৰিব পাৰে, আপোনাৰ মোৰ দৰে ভাবিব পাৰে, অনুভৱ কৰিব পাৰে, বুজিব পাৰে। এনেধৰণৰ মেচিন বৰ্তমান পৃথিৱীত নাই যদিও অতি সোনকালে পৃথিৱীত এনে মেচিন, ৰবট বা কম্পিউটাৰ আহি আছে। আমি মানৱ জাতিয়ে এনে এক কৌশল আৱিষ্কাৰৰ পথত আগবাঢ়ি আছো যাক কৃত্ৰিম বুদ্ধিমত্তা বা AI মানে Artificial Intelligence বুলি কোৱা হয়। বৰ্তমান সময়ত কৃত্ৰিম বুদ্ধিমত্তাই আদি স্তৰত আছে পূৰ্ণ বিকাশ হোৱা নাই যদিও তীব্ৰ গতিত বিকাশৰ কাম চলি আছে। পৃথিৱীৰ বৃহৎ গুগল, এপল, আমাজন আদি কোম্পানীসমূহে ইতিমধ্যে কৃত্ৰিম বুদ্ধিমত্তাক ব্যৱহাৰ কৰিছে আৰু বিকাশৰ বাবে কাম কৰি আছে যাতে মানুহৰ কাম বোৰক আৰু উজু সহজ কৰিব পাৰি। আমাজন ৰ এলেক্সা, এপল ৰ চিৰি, গুগল ৰ গুগল এচিষ্টেণ্ট আদি বোৰ এনেধৰণৰ কিছুমান কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰ' গেম। এই প্ৰ' গেম বোৰে আমাক বহু সুবিধা দিছে, বহু বিজ্ঞানীৰ মতে কৃত্ৰিম বুদ্ধিমত্তা সৃষ্টি কৰিব পৰাটো মানুহৰ বাবে এক বৃহৎ সাফল্য, সঁচাকৈয়ে কৃত্ৰিম বুদ্ধিমত্তা মানুহৰ বাবে এক মহান আৱিষ্কাৰ নে ?

২০১৭ চনৰ আৰম্ভণিতে ফেচবুক প্ৰ' গ্ৰেমিং উন্নয়নৰ বাবে. AI ChatBoard কাম কৰি আছিল, এই চাট বৰ্ড মানুহৰ মাজত কথোপকথন ৰ বাবে ব্যৱহাৰৰ উপযোগী কৰাৰ কাৰণে কাম কৰি আছিল তেনে সময়তে এজন গৱেষকৰ মনত দুখন AI Chat Board ৰ মাজত কথোপকথন কৰোৱাৰ ভাৱ আহিল, যেতিয়া তেওঁ এনে কৰিলে তেতিয়াই এক বিষ্ময়কৰ ভয়ানক ঘটনা ঘটিল আৰু দুই AI Chat Board এ এক সুকীয়া ভাষা আৱিষ্কাৰ কৰি ল' লে আৰু নিজৰ ভাষাত কথা পাতিব ল' লে যাক আমাৰ মানৱৰ বাবে বুজিপোৱাটো অসম্ভৱ আছিল। চাট বৰ্ড দুখন আছিল বব আৰু এলিচ, দুই চাট বৰ্ডৰ কথোপকথন আছিল—-

Bob- I can i i everything else.

Alice-balls have zero to me to me to me to me to me to me to me to me to.

Bob-you i everything else

Alice- balls have a balls to me to me to me to me to me to me to me to me

গৱেষক সকলে একো ধাৰণা কৰিব নোৱাৰিলে সিহঁতে কি পাতিছে। পিছত ফেচবুকো এই প্ৰ' গ্ৰামিং বন্ধ কৰি দিলে অসফলতাৰ আজুহাত দেখোৱাই, কিন্তু কৃত্ৰিম বুদ্ধিমত্তাৰ বিকাশৰ বাবে কাম অব্যাহত থাকিল আৰু বছৰি কৃত্ৰিম বুদ্ধিমত্তাই উন্নতৰ পৰা উন্নতলৈ অগ্ৰসৰ হৈ গৈ আছে আমাৰ কম্পিউটিং চিষ্টেম অত্যাধুনিকৰ পৰা অত্যাধুনিক হৈ গৈ আছে এইবোৰৰ কাৰ্যক্ষমতা দক্ষতা বৃদ্ধি হৈ গৈ আছে আৰু এদিন এই বিকাশে চৰম সীমাত উপনীত হ' ব আৰু সেইদিনা কি হ' ব ? কৃত্ৰিম বুদ্ধিমত্তাই মানে মেচিন বা ৰবটে আমাক বহতীয়া কৰি পেলাব নি ? যদি মেচিন মানুহতকৈ বেছি বুদ্ধিসম্পন্ন হয় যদি মেচিনে নিজৰ প্ৰতিকৃতি বনাব পৰা হয় এইয়া আমাৰ বাবে ভৱিষ্যতৰ কল্পনা নহয় বৰঞ্চ বৰ্তমান হোৱাৰ দিশত । বিগত সময় চোৱাত কৃত্ৰিম বুদ্ধিমত্তা মানে AI system ৰ বিকাশ তিব্ৰ হৈছে আৰু আগন্তুক দিনত আৰু তিব্ৰ হ' ব । আমাৰ মাজৰ বহুতে AI system কি গমেই নাপায় তথাপিও এই AI system ক আমি ব্যৱহাৰ কৰি আছো যি আমাৰ জীৱনৰ বহু দিশত প্ৰভাৱ পেলাইছে । You tube খুলিলে আপুনি আমনি নাপায় কিয়নো আপুনি বিছৰা ধৰণে ভিডিঅ তাত আপুনি পায় । you tube ত আপুনি বিছৰা ধৰণে আপুনি video পোৱাৰো এক কাৰণ আছে ইয়াতো machine learning নামৰ এক প্ৰগেমে কাম কৰি থাকে । অমজন আদিৰ দৰে কম্পেনিসমূহেও এনেধৰণৰ machine learning প্ৰ' গেম ব্যৱহাৰ কৰে পচন্দ অপচন্দ আদিৰ বিষয়ে জানিবলৈ ।

বৰ্তমান পৃথিৱীত আধুনিক প্ৰযুক্তিৰ AI সম্পন্ন ৰবট বা চুপাৰ কম্পিউটাৰ নাই যদিও যি গতিত প্ৰযুক্তিৰ উন্নতি হৈছে এই গতিত আগন্তুক ৪০/৫০ বছৰৰ ভিতৰত অত্যাধুনিক প্ৰযুক্তিৰ AI যুক্ত চুপাৰ কম্পিউটাৰ হৈ পৰিব । বহু বিজ্ঞানী তথা বুদ্ধিজিৱীৰ মতে কৃত্ৰিম বুদ্ধিমত্তাৰ আৱিষ্কাৰ আমাৰ বাবে সকলোতকৈ বেছি বিপদ জনক আৱিষ্কাৰ হ' ব । মহান বিজ্ঞানী ষ্টিফেন হকিং ৰ মতেও কৃত্ৰিম বুদ্ধিমত্তাৰ আৱিষ্কাৰ মানৱ জাতিৰ বাবে এক ভয়ানক বিপদ বুলি অভিহিত কৰি আগজাননী দিছিল । ইলন মাস্কেও কৃত্ৰিম বুদ্ধিমত্তাক মানৱতাৰ বাবে বিপদ বুলিয়ে ভাৱে তেওঁৰ মতে কৃত্ৰিম বুদ্ধধিমত্তাৰ জন্ম দিয়া মানে আসুৰিক শক্তিক আমন্ত্ৰণ দিয়া ।

আমি মানৱ জাতিয়ে নিজক পৃথিৱীৰ আন জীৱ জন্তুতকৈ বহু বেছি বুদ্ধিয়ক বুলি ভাবো সেইটো শুদ্ধ নহয় আমি আন পশু পক্ষীত কৈ কেই শতাংশ মান হে বেছি বুদ্ধিয়ক । এই কেই শতাংশৰ পাৰ্থক্যই আমাক কিমান উন্নত কৰিছে আন জীৱত কৈ যদি পৃথিৱী জীৱ সমুহৰ বুদ্ধিমত্তাৰ তুলনা কৰা হয় তেতিয়া যদি ছিম্পাঞ্জীৰ স্থান ৪ বুলি ধৰা হয় তেতিয়া মানুহৰ স্থান হ' ব ১০ আৰু AI ৰ স্থান হ' ব ১০০০ । ভাৱক মানুহতকৈ কিমান বেছি বুদ্ধিয়ক হ' ব এই মেচিন বোৰ, মানুহৰ মগজু যদিও পৃডাং আটাইতকৈ জটিল সংৰচনা তথাপিও ইয়াৰ ভৰাৰ এক সীমা আছে কিন্তু AI সম্পন্ন ৰবতৰ তেনে

কোনো সীমা নাথাকিব ইহঁত ক্রমশঃ শক্তিশালী ৰ পৰা শক্তিশালী হৈ গৈ থাকিব আৰু মানুহৰ নিয়ন্ত্ৰণৰ বাহিৰ হৈ পৰিব যি ইচ্ছা তাকে কৰিব অসিমীত ভাৱে কম্পিউটিং ক্ষমতা ব্যৱহাৰ কৰিব, চ' ফ্টৱেৰৰ গতি পোহৰৰ বেগৰ সৈতে সমান তেনেস্থলত এই বোৰে পোহৰৰ গতিত যাত্ৰা কৰিব আৰু কোনো সীমা নাথাকিব, মানুহৰ বাবে এই মেচিন বোৰ নিয়ন্ত্ৰণৰ বাহিৰ হ' লেই মানুহ আৰু মেচিন বা ৰবটৰ মাজত অন্তিম যুদ্ধ হ' ব আৰু এই পৃথিৱীৰ পৰা মানৱ জাতিৰ অস্তিত্ব সেইদিনাই লোপ পাব ।